অধ্যাপক এ,কে, শেখ।
ৰূপহী মহাবিদ্যালয়।

مفهوم الاسلام
ইছলাম সম্পৰ্কে ধাৰণা।

পূৰ্ব্বৰ মুছলমান সকলে ইছলামৰ সম্পৰ্কত কেনেকুৱা ধাৰণা কৰিছিল? আমি ইয়াৰ সম্পৰ্কত কেনেকুৱা ধাৰণা কৰা উচিত। নিঃসন্দেহে আমাৰ সময়ত আমি যিদৰে ইয়াক বুজি পাইছো, পূৰ্বৰ মুছলমান সকলে ইছলামক তেনেদৰে বুজা নাছিল।
ই হৈছে সমূহীয়া উপাসনা যাক ব্যৱহাৰিক চৰিত্ৰৰ বাহিৰে মানুহে পৃথক ভাবে সম্পূৰ্ন কৰে। নিশ্চয় মানুহে উপাসনাৰ দ্বাৰা আন্তৰিকতাৰে আল্লাহৰ আশ্ৰয় গ্ৰহণ কৰিব পাৰে আৰু নাইবা আল্লাহৰ বাহিৰেও জীৱনৰ যিকোনো ক্ষেত্ৰত অইন কোনো উপাস্যৰ আশ্ৰয় গ্ৰহণ কৰিব পাৰে।
ইছলাম সম্পৰ্কে ৰছুলুল্লাহ (ছঃ) যিদৰে ইয়াক জানিছিল আৰু তেওঁৰ ছাহাবী বা অনুসৰণকাৰী সকলে বুজি পাইছিল, সেইটো আছিল সম্পূৰ্ণৰূপে আল্লাহৰ ওচৰত আত্মসমৰ্পণ কৰা; যাতে মানুহৰ সত্বা সম্পূৰ্ণৰূপে আল্লাহৰ পিনে মনোনিৱেশ কৰে। মানুহৰ চিন্তা, অনুভূতি আৰু ব্যৱহাৰিক চৰিত্ৰ সম্পূৰ্ণৰূপে আল্লাহৰ দ্বাৰা অনুমোদিত সংবিধান মতে পৰিচালিত হয়।
পূৰ্বৰ মুছলমান সকলে সাক্ষী প্ৰদান (অৰ্থাৎ কলিমা শ্বাহাদত পাঠ) কৰাটোক এইটো বুজা নাছিল যেনে : আল্লাহৰ বাহিৰে আইন কোনো উপাস্য নাই আৰু মুহাম্মদ (ছঃ) আল্লাহৰ প্ৰেৰিত ৰছুল। এইটো বাক্য যিটো মুখেৰে উচ্চাৰিত হৈও আত্মাৰ গভীৰতালৈ সংস্থাপিত নহয় আৰু বাস্তৱ জীৱন সন্মত নহয়।
বৰং তেওঁলোকে(পূৰ্বৰ মুছলমান সকলে) আল্লাহৰ প্ৰতি সাক্ষী প্ৰদান কৰাটো এইটোকে বুজিছিল যে : আল্লাহৰ বাহিৰে আইন কোনো উপাস্য নাই, তেওঁয়েই একমাত্ৰ এই বিশ্বব্ৰহ্মাণ্ডৰ অধিপতি আৰু সকলো সংঘটিত কাৰ্য্যবোৰৰ একমাত্ৰ নিৰ্ণায়ক। তেওঁ অদ্বিতীয়, তেওঁকেই আমি উপাসনা কৰা আৰু ভয়-ভক্তিৰে সৈতে আত্মসমৰ্পণ কৰা উচিত। তেওঁয়েই একমাত্ৰ জীৱন দাতা, মৃত্যু নিৰ্ধাৰন কাৰী , জীৱিকা দিওঁতা শক্তিৰ অধিকাৰী। নিশ্চয় তেওঁৰ বাহিৰে আইন কোনো উপাস্যৰ প্ৰতি ভয় ভক্তিৰে আৰাধনা কৰা, তেওঁৰ বাহিৰে পৃথিৱী আৰু আকাশত অইন কোনো শক্তিক ধাৰণা কৰা; যিয়ে মানুহৰ উপকাৰ বা আনিষ্ট সাধন কৰিব পাৰে। এইটো এটা শ্বীৰক ; ( ডাঙৰ পাপ) যিসকলে আল্লাহৰ বাহিৰে সেইজনৰ ওচৰত আশ্ৰয় গ্ৰহণ কৰে। ইয়াৰ উপৰিও তেওঁলোকে(পূৰ্বৰ মুছলমান সকলে) সাক্ষী প্ৰদান কৰা(কলিমা শ্বাহাদত পঢ়াৰ) অৰ্থ বুজিছিল যে - আল্লাহৰ বাহিৰে আইন কোনো উপাস্য নাই। নিশ্চয় তেওঁ একমাত্ৰ অধিকাৰী; যিজনে মানুহৰ বাবে নিয়ম ৰচনা কৰিছে আৰু তেওঁলোকৰ কাৰণে তেওঁলোকৰ জীৱনৰ বিধান আৰু জীৱিকাৰ সংবিধান নিৰ্ধাৰণ কৰিছে। তেওঁৰ বাহিৰে অইন কোনো নাই নাইবা পৃথিৱী আৰু আকাশত কোনো শক্তি নাই। এই বিষয়টোৱে সমগ্ৰ মানৱ জাতিৰ দৰেই প্ৰাচীন। ই আদম (আঃ) লগতে আবিৰ্ভাৱ হৈ আদম (আঃ) ৰ ধৰাশায়ী হোৱা লৈকে চলি আছে। " আমি কৈছিলো - তোমালোক সকলোয়ে ইয়াৰ পৰা নামি যোৱা। আনহাতে যেতিয়া মোৰ ফালৰপৰা তোমালোকৰ ওচৰলৈ সৎপথৰ নিৰ্দেশ আহিব, তেতিয়া যিসকলে মোৰ সৎপথক অনুসৰণ কৰিবা, তেওঁলোকৰ বাবে কোনো ভয় নাই আৰু তেওঁলোকে নিৰাশ নহ'ব। যিসকল ব্যক্তি কুফৰী কৰিব আৰু আমালোকৰ নিদৰ্শন সমূহক অস্বীকাৰ কৰিব, তেওঁলোক নৰকৰ বাসিন্দা হব আৰু তাত তেওঁলোকে চিৰ কাল অবস্থান কৰিব।
(ছুৰা বাকাৰা আয়াত ৩৮-৩৯)। এই বিষয়টো সমগ্ৰ মানৱ জাতিৰ ইতিহাসত এটি সাভাৱিক প্ৰক্ৰিয়া যে তেওঁলোকে আল্লাহৰ সঠিক পথ মানি চলিব আৰু ইয়াৰ চাহিদা অনুসাৰে কৰ্ম সম্পাদন কৰিব। অন্যথা তেওঁলোক কিহৰ মুছলমান ?
যিদৰে তেওঁলোকে সাক্ষী প্ৰদান কৰাৰ (অৰ্থাৎ কলিমা শ্বাহাদত পাঠ কৰা) দ্বাৰা উপালব্দি কৰিছিল যে - নিশ্চয় মুহাম্মদ (ছঃ) আল্লাহৰ ৰছুল আৰু তেওঁ এই ৰিছালত প্ৰচাৰৰ বাবে এজন অনুমোদিত ৰছুল।
এইটোৱেই সুদ্ধ পথ যি পথত মানুহে তেওঁক মানি চলা আৰু অনুসৰণ কৰা উচিত। তেওঁয়েই সেই সংবাদ দিওঁতা যে আল্লাহৰ প্ৰতি আনুগত্য হবলৈ তেওঁৰ প্ৰতি আনুগত্য হোৱাটো বাঞ্ছনীয়।
" আমি ৰছুলক এই বাবে প্ৰেৰণ কৰিছো; যাতে আল্লাহৰ নিৰ্দেশত তেওঁৰ প্ৰতি আনুগত্য কৰা হয়।" (ছুৰা নিছা আয়াত ৬৪)। "ৰছুল(ছঃ) এ তোমালোকক যি দিয়ে, তাক তোমালোকে গ্ৰহণ কৰা আৰু তেওঁ তোমালোকক যি নিষেধ কৰে তাৰ পৰা আতঁৰি থাকা।"(ছুৰা হাশৰ আয়াত ৭)
নিশ্চয় তেওঁয়েই (ছঃ) হৈছে আকাশৰ ৰিচালতৰ (সংবাদৰ) জীৱন্ত বাস্তৱ প্ৰয়োগকাৰী; কাৰণ তেওঁয়েই হৈছে সকলো কাম আৰু নৈতিকতাৰ প্ৰতিচ্ছবি। তেওঁ মুছলিম জাতিৰ নেতা আৰু ইয়াৰ পৰিচালক, শিক্ষক, নিৰ্দেশক আৰু পোহৰ যি ইয়াৰ দ্বাৰা আন্ধাৰক আলোকিত কৰে।
এইটোৱেই হৈছে সাক্ষী প্ৰদান কৰা সম্পৰ্কত স্বাভাৱিক ধাৰনা যে আল্লাহৰ বাহিৰে আইন কোনো উপাস্য নাই আৰু মুহাম্মদ

(ছঃ) আল্লাহৰ প্ৰেৰিত ৰছুল। এইটোৱেই সেই ধাৰণা যিটো ধাৰণাৰ দ্বাৰা এজন মানুহক মুছলমান হিচাপে গণ্য কৰা হয়,। সেইটো হৈছে এবাৰ এই ধাৰণাটো মনত প্ৰতিষ্ঠা কৰা; কাৰণ প্ৰকৃততে এইটোৱেই একমাত্ৰ ইছলামৰ সত্যক সুনিশ্চিত কৰাত প্ৰতিনিধিত্ব কৰে। এজন মানুহৰ মনত এবাৰ এইটো প্ৰতিষ্ঠা লাভ কৰিলে, ই তেওঁৰ জীৱনৰ পৰিবৰ্তন আৰু আল্লাহৰ সঠিক সুদ্ধ পথলৈ মনোনিৱেশ কৰাব।

******************